# ‘লোক’ অৱধাৰণা আৰু লোকসংস্কৃতিৰ তত্বগত স্বৰূপ বিশ্লেষণ

**দীপশিখা গগৈ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: deepsigogoi@gmail.com

**সংক্ষিপ্তসাৰ**

মানৱ সমাজৰ ইতিহাসত লোকসংস্কৃতি বিষয়টো এনে এক অপৰিহাৰ্য অংগ, যাৰ অবিহনে মানৱ সভ্যতাৰ ক্ৰমবিকাশ যাত্ৰাৰ আলোচনা আধৰুৱা হৈ ৰয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাই মানৱ সভ্যতাক অগ্ৰগতি যেনেধৰণেৰেই নিদিয়ক লাগে, সেই অগ্ৰগতিৰ প্ৰতিটো খোজত লোকসংস্কৃতিৰ সমলৰ সংযোগ ঘটিলেহে সংস্কাৰ সাধন আৰু জীৱন যাত্ৰা সহজ আৰু সুচল ৰূপত গঢ়ি উঠাত সহায়ক হয়। লোকসংস্কৃতি যেন অকৃত্ৰিম সুবাসিত বনৰীয়া ফুল সদৃশ, যি লোকসমাজ আৰু লোকজীৱনৰ ছত্ৰ-ছায়াত লালিত-পালিত হৈ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সেই সুবাস প্ৰবাহিত কৰি ৰাখে। ই লোকজীৱনক গতি দিয়ে, অতীতৰ সৈতে বৰ্তমানৰ সংযোগ সাধন কৰি ঐক্যসূত্ৰ গঢ়ে, মানৱীয় মহত্ত্বক বুজাৰ অৱকাশ আনি দিয়ে। এই গৱেষণা পত্ৰত লোকসংস্কৃতিৰ তাত্বিক দৃষ্টিকোণেৰে ‘লোক’ শব্দৰ বিস্তাৰিত অৰ্থৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। লগতে লোকসংস্কৃতিৰ সংজ্ঞা নিৰ্ণয় আৰু বিজ্ঞানসন্মত স্বৰূপ ব্যাখ্যা কৰাও এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য। বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতিৰ সহায়েৰে আলোচ্য বিষয়টো বিচাৰ কৰি চাবলৈ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দঃ** লোক, লোকসংস্কৃতি, Folklore, Elite, লোকসমাজ**।**

## ‘লোক’ অৱধাৰণা : লোকসাংস্কৃতিক বিচাৰ

লোকসংস্কৃতিৰ আলোচনাত ‘লোক’ শব্দৰ অৰ্থ বিভিন্ন দৃষ্টিকেণেৰে বিশ্লেষণ কৰি চাব পাৰি। অভিধানে ‘লোক’ শব্দৰ অৰ্থ আগবঢ়াইছে এনেদৰে –“লোক মানে মনুষ্য, মানুহ, ব্যক্তি, জনসাধাৰণ, সাধাৰণ মানুহ অথবা ৰাইজ।” [১] এই সাধাৰণ জনতাৰ কোনো সীমাৰেখা নাই। যিকোনো সামাজিক প্ৰস্থিতিৰ, যিকোনো শ্ৰেণীৰ মানুহ এই ৰাইজৰ অন্তৰ্ভূক্ত। আমি প্ৰত্যেকেই এই সাধাৰণ জনতাৰ শ্ৰেণীৰ্ভূক্ত। লোকসংস্কৃতিৰ আলোচনাত ‘লোক’ শব্দৰ প্ৰয়োগ ব্যাপক। ইংৰাজী Folk শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে ‘লোক’ শব্দৰ প্ৰয়োগ প্ৰচলিত। এই Folk সম্বন্ধে লোকসংস্কৃতিবিদ এলান ডাণ্ডে ব্যাখ্যা দিছে এনেদৰে–

"The term folk can refer to any group of people what so ever who share at least one common factor. It does not matter what the linking factor is it could be a common occupation, language or religion, but what is importants is that a group formed for whatever reason will have some traditions which its called its own."[২]

অৰ্থাৎ লোক শব্দই একেধৰণৰ কিছুমান বিষয় মানি চলা এদল মানুহক সূচায়। এই সংযোগী বিষয়টোৱে একে ধৰণৰ জীৱিকা, একেধৰণৰ ভাষা বা একেধৰণৰ ধৰ্ম মানি চলাকো বুজাব পাৰে। তেওঁলোকে কিছুমান দলগত বৈশিষ্ট্যক পৰম্পৰাগতভাৱে মানি চলে আৰু সেয়া বৰ্তাই ৰাখিবলৈ যত্ন কৰে। এই বিষয়তে ডাণ্ডে পুনৰ কৈছে –

"A member of the group may not know all other members, but he will probably know the common core of traditions belonging to the group, traditions which help the group to have a sense of group identity, with this flexible definition of folk, a group could be as large as a nation or as small as a family." [৩]

এনে দলৰ এজন সদস্যই আন সকলো সদস্যক নাজানিব পাৰে, কিন্তু তেওঁ সম্ভৱতঃ গোটটোৰ পৰম্পৰাৰ উমৈহতীয়া পৰম্পৰাবোৰ ভালদৰে জানে, যি গোটটোক বা দলটোক দলীয় পৰিচয়ৰ অনুভূতি লাভ কৰাত সহায় কৰে। এনে দল বা গোট এখন ৰাষ্ট্ৰৰ দৰে ৰঙৰ অথবা এটা পৰিয়ালৰ দৰে সৰু হ'ব পাৰে।

লোকসংস্কৃতিবিদ আশুতোষ ভট্টাচাৰ্যই 'লোক' শব্দটো সংহত বা সমষ্টিগত জীৱনৰ নিৰ্দেশক বুলি অভিহিত কৰিছে। [৪] লোকসংস্কৃতিৰ গৱেষক নীৰাজনা মহন্ত বেজবৰাই 'লোক' সম্পৰ্কত ব্যাখ্যা আগবঢ়াইছে এনেদৰে-

"লোক মানে সাধাৰণ জনতা, সৰ্বসাধাৰণ মানুহ। এওঁলোক গাওঁবাসীও হব পাৰে, নগৰবাসীও হব পাৰে। তথাকথিত সুৰুচিসম্পন্ন, সুসংহত আৰু পৰিমাৰ্জিত নগৰবাসীসকলতকৈ এওঁলোক তুলনামূলকভাৱে সহজ-সৰল আৰু অকৃত্ৰিম জীৱন যাত্ৰাত অভ্যস্ত। এই সৰ্বসাধাৰণ জনতাই পৰম্পৰাগত সংস্কাৰ, বিশ্বাস আৰু আদৰ্শসমূহক নিজৰ জীৱনত সুৰক্ষিত কৰি ৰাখিবলৈ বিচাৰে।" [৫]

'লোক' শব্দটো সংহত অথবা সমষ্টিগত জীৱনৰ নিৰ্দেশক বুলিও বহুতো লোকসংস্কৃতিবিদে ব্যাখ্যা আগবঢ়াইছে। এই ব্যাখ্যা অনুযায়ী সংহত সমাজ বুলি অন্তৰ্ভুক্ত সমাজখনত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মাধ্যমেৰে তেওঁলোকৰ বৈশিষ্ট্যসমূহক অক্ষুন্ন ৰাখিবলৈ যত্ন কৰে। যি সংহত সমাজে বাহ্যিক সাংস্কৃতিক গতি-বিধিক গ্ৰহণ কৰিলেও তাক

অন্ধভাৱে নামানি নিজৰ সংস্কৃতি অনুকূলে গঢ় দি লয়, সেই সমাজ বাহ্যিকভাৱে পৰিৱৰ্তিত যেন লাগিলেও আভ্যন্তৰীণ দিশেৰে শক্তিশালী আৰু অপৰিৱৰ্তনীয় হৈ থাকে।

বহু সময়ত বহুক্ষেত্ৰত লোকসমাজ বুলিলে এই ধাৰণা লোৱা হয় যে লোকসমাজ হ'ল খেতিয়ক, গঞা, নিৰক্ষৰ অথবা সমাজৰ নিম্নস্তৰৰ লোকৰ সমাজ। কিন্তু লোকসংস্কৃতিৰ অধ্যয়নত এই লোকসমাজ প্ৰান্তীয় ধাৰণা কিছুমানৰ স্থান থাকে সঁচা। কিন্তু লোকসমাজ গাঁওবাসীও হ'ব পাৰে অথবা নগৰবাসীও হ'ব পাৰে। যদিহে তেওঁলোকে পৰম্পৰাগত সংস্কাৰ, বিশ্বাস আৰু আদৰ্শসমূহক নিজৰ সমাজৰ বৈশিষ্ট্য হিচাপে সুৰক্ষিত কৰিবলৈ বিচাৰে, তেন্তে সেয়া লোকসমাজৰ অৱধাৰণাৰ অন্তৰ্ভূক্ত। এই Folk বা লোক আৰু অভিজাত বা Elite ৰ বৈশিষ্ট্যসমূহ Rechard Dorson য়ে পৃথকে দেখুৱাইছে-

| **Folk** | **Elite** |
|---|---|
| Rural | Urban |
| Agricultural | Industrial |
| Peasant | Factory worker |
| Illiterate | Literate |
| Handicrafts | Machines |
| Word of mouth | Mass communications |
| Backword | Modern |
| Superstitious | Rational |
| Magical | Scientific |
| Marginal | Central [৬] |

Dorsonৰ এই বৈশিষ্ট্যসমূহ বিচাৰ কৰি চালে লোকসমাজ বুলিলে কিছুমান উমৈহতীয়া বৈশিষ্ট্যৰ বৈশিষ্ট্যমণ্ডিত সামূহিক গোট বুলি বুজা যায়। এই সামূহিক গোটে বা সমাজ মৌখিক পৰম্পৰা আশ্ৰয়ী, যাদু আশ্ৰয়ী, জীৱন-পদ্ধতি, আচৰণ, পোচাক-পৰিচ্ছদ, ৰন্ধন প্ৰণালী, অভিব্যঞ্জন আদিৰ ক্ষেত্ৰত পৰম্পৰাগত ৰীতি-নীতি কিছুমানক অনুকৰণ কৰে।

প্ৰকৃততে প্ৰত্যেক ব্যক্তিৰে মাজত 'লোক' সত্তাটো লুকাই থাকে। এই 'লোক' মন বা 'লোক' সত্বাটোৰ আধাৰতে ব্যক্তিয়ে বৰ্হিজগতত নিজৰ পৰিচয় অথবা প্ৰস্থিতি যেনেকৈয়ে নিৰ্মাণ নকৰক লাগে, বিশ্বাস-অবিশ্বাস, ধৰ্মীয় ধাৰণা অথবা অভ্যাসৰ মাজত ভিতৰৰ মানুহজনৰ 'লোক' অৱস্থিতি প্ৰতিফলিত হয়। শিষ্ট বা অভিজাত সমাজ অবিহনেও লোকসমাজ বৰ্তি থাকিব পাৰে। চহৰত বাস কৰিলেও অত্যাধুনিক সা-সুবিধাৰ মাজত জীৱন-নিৰ্বাহ কৰিলেও তেওঁ লোক হ'ব পাৰে। নগৰীয়া সমাজৰ মাজতো লোক উপাদান নিহিত থাকে। উদাহৰণস্বৰূপে – নগৰত বাস কৰা এজন বিজ্ঞানীৰ ঘৰত জন্ম নৱজাতক

সন্তানকো সুস্বাস্থ্যৰ বা অথবা আনৰ মুখ নালাগিবৰ বাবে জৰা-ফুকা কৰা তাবিজ অথবা ক'লা ৰচী পিন্ধোৱাৰ লগতে কাজলৰ ক'লা ফোঁট আঁকি দিব পাৰে। এনে কাৰ্য যে কেৱল এজন হোজা, গঞা অথবা নিৰক্ষৰ ব্যক্তিৰ ঘৰতহে হ'ব তেনে নহয়। বৰঞ্চ দেখা যায় কাৰ্য সিদ্ধিৰ বাবে বিভিন্ন দেৱ-দেৱীৰ পূজা- অৰ্চনাৰ প্ৰৱণতা অভিজাত বা শিষ্ট শ্ৰেণীটোৰ মাজত অধিক মাত্ৰাত দেখিবলৈ পোৱা যায়। সেয়ে ক'ব পাৰি 'লোক' অৱধাৰণাত অন্তৰ্ভূক্ত বৈশিষ্ট্যসমূহ য'ত প্ৰকাশমান হয় সেই সমাজ লোকসমাজ (Folk Society) আৰু সংখ্যাসমূহ লোক (Folk) হিচাপে চিহ্নিত কৰিব পাৰি।

**লোকসংস্কৃতি**

ইংৰাজী Folklore পদটোক বুজাবলৈ অসমীয়া ভাষাত লোকসংস্কৃতি পদ ব্যৱহাৰ কৰা হয়। কোনো কোনো লোকসংস্কৃতিবিদে ইয়াৰ বাবে 'লোকবিদ্যা' পদও ব্যৱহাৰ কৰে। বিভিন্ন লোকসংস্কৃতিবিদে Folklore ৰ বিপৰীতে কেনেধৰণৰ পদ ব্যৱহাৰ কৰে সেইবিষয়ে তলত উল্লেখ কৰা হ'ল –

সুনীতি কুমাৰ চট্টোপাধ্যায়– লোকযান

ৰবীন্দ্ৰ নাথ ঠাকুৰ – লোককৃষ্টি

বিৰিঞ্চি কুমাৰ বৰুৱা- লোকসংস্কৃতি

প্ৰফুল্ল দত্ত গোস্বামী – জনসাহিত্য

সুকুমাৰ সেন – লোকচৰ্যা

নবীন চন্দ্ৰ শৰ্মা – লোকবিদ্যা

লোকসংস্কৃতি লোকসমাজৰ প্ৰতিবিম্বস্বৰূপ। লোকসমাজ অৰ্থাৎ Folk Society ত যিবোৰ উপাদান উমৈহতীয়াভাৱে পৰম্পৰাগতৰূপত প্ৰচলিত হৈ থাকে সেই সকলোবোৰ লোকসংস্কৃতিৰ ভিতৰুৱা। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে লোকসংস্কৃতিৰ উপাদানসমূহৰ বিকাশ আৰম্ভ হ'ল। লোকসংস্কৃতিৰ আলোচনালৈ যোৱাৰ আগত সেয়ে মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ যাত্ৰাৰ আলোচনালৈ যাব পাৰি।

**লোকসংস্কৃতি : সৃষ্টিৰ পটভূমি অনুসন্ধান**

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ পৰ্যায় বিচাৰ কৰি চালে দেখা যায় এই ক্ৰমবিকাশে মানুহক বন্য যাযাবৰী জীৱনৰ পৰা বৰ্তমান সভ্য আৰু সংঘবদ্ধ জীৱনলৈ হোৱা পৰিৱৰ্তনৰ ইতিহাসক প্ৰতিফলিত কৰে। মানুহ সভ্য হ'বলৈ আৰম্ভ কৰাৰ লগে লগে ক্ৰমাৎ সংস্কৃতিৰ শুভাৰম্ভ ঘটিল। মানুহৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰৰ আঁত ধৰি সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশৰ পৰ্যায় বিচাৰ কৰি চালে প্ৰধানলৈ এইকেইটা স্তৰ স্পষ্ট ৰূপত প্ৰত্যক্ষ হয় –

হম’হেবিলচ – চিকাৰ কাৰ্যৰ আৰম্ভণি আৰু ইংগিতময় ধ্বনি উচ্চাৰণৰ পৰ্যায়

হম’ইৰেক্টাচ – জুইৰ ব্যৱহাৰ, সিদ্ধ মাংস ভক্ষণ, প্ৰযুক্তিৰ ব্যৱহাৰেৰে অস্ত্ৰ নিৰ্মাণ আৰু গুহাৰ আশ্ৰয় লোৱা পৰ্যায়

নিয়ানডাৰমাল – মৃতকৰ সৎকাৰ আৰু সংস্কাৰ কাৰ্য কৰিবলৈ শিকা পৰ্যায়

ক্ৰো-ম্যাগনেন– গুহাৰ বেৰত, চিত্ৰ অংকন আৰু সাংকেতিক ভাষাৰ ব্যৱহাৰ কৰা পৰ্যায়

হম’চেপিয়েনচ-চেপিয়েনচ – কৃষিকাৰ্যৰ পাতনি, শৈল্পিক আৰু ঔদ্যোগিক বিকাশৰ পৰ্যায়

দেখা যায় যে, হম’হেবিলচসকলৰ সময়ৰ পৰা সভ্যতাৰ স্তৰ আৰম্ভ হয়। তেওঁলোকে দলীয়ভাৱে চিকাৰ কাৰ্যৰ সূত্ৰপাত কৰে। ইংগিতময় ধ্বনি উচ্ছাৰণ কৰিবলৈ শিকা হৰ্মমেবিলচসকলে চিকাৰ কাৰ্যৰ সফলতাৰ অন্তত দলীয়ভাৱে আনন্দপূৰ্ণ কিৰিলি মাৰিছিল। ইয়াৰ মাজত ভাৱ প্ৰকাশৰ প্ৰথম বীজ ৰোপন হয়। আদিম মানুহে যেতিয়াৰে পৰা অঘৰী জীৱন অতিক্ৰম কৰি স্থায়ীভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াৰে পৰা মানৱ জীৱনৰ লগত সংস্কৃতিৰ উপাদানৰ উদ্ভৱ আৰু সংযোজন হ’বলৈ ধৰিলে। সেই ক্ৰমবিকাশৰ স্তৰত অৰণ্যবাসী তথা গুহাবাসী চিকাৰজীৱী আদিম মানৱ সমাজ সংস্কৃতিৰ স্তৰক আদিম সংস্কৃতি (Primitive) হিচাপে অভিহিত কৰিব পাৰি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতি দুটি ধাৰাত প্ৰচলিত হ’বলৈ ধৰিলে –

| **আদিম সংস্কৃতি** | **লোক সংস্কৃতি** | **উচ্চ বা শিষ্ট সংস্কৃতি** |
|---|---|---|
| Primitive Culture | Folk Culture | Elite Culture |
| Savage or Primitive | Folk or Peasant | Civilized or Elite |
| Pre or Non-Literate | Illiterate | Literate |
| | Rural | Urban |
| | Lower Stratum | Upper Stratum [৭] |

শীত-তাপৰ পৰা ৰক্ষা পাবলৈ যেতিয়াৰে পৰা হম’হেবিলচসকলে গুহাত আশ্ৰয় ল’বলৈ শিকিলে তেতিয়াৰে পৰা সভ্যতাৰ বিকাশৰ দিশত মানুহ দ্ৰুতভাৱে অগ্ৰসৰ হ’ল। জুইৰ আৱিষ্কাৰে জীৱন-নিৰ্বাহৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত তেওঁলোকক সচেতন কৰি তুলিলে। মস্তিস্কৰ বিকাশৰ লগে লগে তেওঁলোকৰ জীৱন পদ্ধতিলৈ পৰিৱৰ্তন আহিল। নিয়ানডাৰহাল মানুহে সংস্কৃতিৰ বিকাশৰ দিশত নতুন সংযোজন ঘটালে। মৃতকৰ সংস্কাৰ সাধনৰ বাবে তেওঁলোকে মৃতদেহ পোৰা প্ৰথাৰ আৰম্ভণি কৰিলে। ই তেওঁলোকক আধ্যাত্মিক উপলব্ধি আৰু পৰিয়াল সংগঠনৰ ক্ষেত্ৰত নীতি-নিয়মসূচক পৰম্পৰাৰ সাক্ষ্য দাঙি ধৰিলে। শব্দৰ আৱিৰ্ভাৱে ক্ৰো-ম্যাগনেন সকলৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিলে। শব্দৰ শক্তি প্ৰয়োগ কৰি তেওলোকে পাস্পৰিক মনোভাৱ বিনিময় কৰিবলৈ শিকিলে।

পাৰিপাৰ্শ্বিক পৰিৱেশৰ পৰ্যবেক্ষণৰ পৰা তেওঁলোকৰ মনলৈ অহা বিভিন্ন ভাৱৰাশি, দৈৱ আৰু জৈৱ শক্তিৰ অৱস্থিতিৰ ধাৰণা, আধ্যাত্মিক চিন্তা আৰু ঈশ শক্তিৰ প্ৰতি ভীতি আদি বিভিন্ন প্ৰসংগ মুখ পৰম্পৰাৰে এজনক পৰা আনজনলৈ প্ৰৱাহিত হ'বলৈ ধৰিলে। চিকাৰৰ অভিজ্ঞতাক ৰং-ৰূপ আৰু ৰেখাৰ ধাৰণাৰে গুহাৰ বেৰত অংকন কৰি তেওঁলোকে শিল্পকলাৰ চৰ্চাৰ শুভাৰম্ভ ঘটালে। হম'চেপিয়েনৰ স্তৰত কৃষিভিত্তিক সভ্যতাৰ আৰম্ভ হয়। এই পৰ্যায়ত আধুনিক মানুহে কৃষিৰ লগত জড়িত আচাৰ, সমাজ সংগঠনৰ ৰীতি-নীতি, আধ্যাত্মিক চিন্তা-চৰ্চাৰ নতুন মূল্যায়ন কৰি মানৱ সভ্যতাৰ বকাশত এক নৱ বিপ্লৱৰ সূচনা কৰে। এই স্তৰসমূহৰ সমান্তৰালভাৱে লোকসংস্কৃতিৰ বিকাশৰ পৰ্যায় এনেধৰণৰ –

হম'হেবিলচৰ স্তৰ– হৃদয়ানুভৱ প্ৰকাশৰ প্ৰৱণতাৰ আৰম্ভণি যাৰ বৰ্হিপ্ৰকাশ উল্লাসপূৰ্ণ কিৰিলি

ক্ৰো-ম্যাগনেন স্তৰ– বুদ্ধি বৃত্তিৰ সংযোগ সাধন হোৱাৰ লগে লগে ভাষাৰ সৃষ্টি আৰু অভিজ্ঞতাক ৰূপ-বেমাৰে আৰু গুহা চিত্ৰণ প্ৰকাশ

হম'চেপিয়েনচৰ স্তৰ– কৃষিৰ আৰম্ভণিৰ লগে লগে দলীয় যৌনোদ্দীপক ধৰিত্ৰীৰ প্ৰজনন ক্ষমতা বৃদ্ধিৰ নৃত্য-গীতৰ আৰম্ভণি ধাৰণা

আদিম মানৱ আছিল প্ৰকৃতিৰ দাস। পৃথিৱীত বৰ্তি থাকিবৰ বাবে তেওঁলোকে প্ৰকৃতিৰ লগত অনবৰতে সংগ্ৰাম কৰিবলগা হৈছিল। প্ৰাকৃতিক ঘটনাৰ নিয়মানুবৰ্তিতাৰ অলপ সাল-সলনি হ'লেই তেওঁলোকৰ জীৱন সংকটপূৰ্ণ হৈ পৰিছিল। ফলস্বৰূপে মানুহৰ জীৱনত ঘটা ঘটনাবোৰৰ লগত ৰহস্যময় শক্তি তথা দৈৱ শক্তিৰ প্ৰভাৱ আছে বুলি বিশ্বাস কৰিবলৈ লৈছিল। ইয়াতে আৰম্ভ হ'ল দৈৱী শক্তিৰ পূজাৰ ধাৰণা। সভ্যতাৰ ক্ৰমবিকাশৰ পৰৱৰ্তী কালত কৃষিভিত্তিক জীৱন-ধাৰণৰ আৰম্ভণি হয়। কৃষিৰ লগত যৌনতাৰ সম্পৰ্ক আছে বুলিও আদিম মানৱে বিশ্বাস কৰিবলৈ লয়। পুৰুষ আৰু নাৰীৰ মিলনৰ ফলত যেনেদৰে সন্তান জন্ম হয় একে ধাৰণাকে আদিম মানৱে শস্যবৃদ্ধিৰ প্ৰসংগতো প্ৰয়োগ কৰিবলৈ ধৰে। পৃথিৱীক নাৰীৰূপত কল্পনা কৰি শস্যবৃদ্ধিৰ বাবে যৌনোদ্দীপক নৃত্য-গীত কৰাৰ পৰম্পৰা প্ৰচলন হ'বলৈ ধৰিলে। এনেদৰে মানৱ জাতিৰ লগত ভিন ভিন স্তৰত লোকসংস্কৃতিক সমলসমূহৰ উদ্ভৱ আৰু বিকাশ হ'বলৈ আৰম্ভ কৰিলে। মানৱ জাতিৰ বিকাশৰ অনুক্ৰমে বিকাশ হোৱা লোকসংস্কৃতিক উপাদানৰ পদ্ধতিগত অধ্যয়ন, অনুসন্ধান আৰু বিচাৰ-বিশ্লেষণ কৰা বিষয়টোৱে Folklore (লোকসংস্কৃতি) হিচাপে প্ৰতিষ্ঠিত হয়।

**সংজ্ঞা নিৰূপণ**

সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক বিচাৰত UNESCO ৰ Folklore সংজ্ঞা দিয়া হৈছে এনেদৰে –

"Folklore (or traditional and popular culture) is the totality of tradition based creations of a cultural community, expressed by a group or individuals and recognized as reflecting the expectations of a community in so far they reflect its cultural and social identity; its standards and values are transmitted orally, by imitation or by other means. Its forms are among others, language, literature, music, dance, games, mythology, rituals, customs, handicrafts, architecture and other arts." [৮]

Folklore শব্দৰ বিপৰীতে লোকবিদ্যা, লোককৃতি আদি পৰিভাষা ব্যৱহাৰ কৰিলেও সৰ্বগ্ৰহণযোগ্য ৰূপত সাধাৰণভাৱে লোকসংস্কৃতি পদটো প্ৰচলিত হৈ আহিছে। William John Thomas য়ে ১৮৪৬ চনৰ ১২ আগষ্ট সংখ্যাৰ দি এথেনিয়াম (The Athenaeum) পত্ৰিকাত লোকসংস্কৃতিৰ প্ৰাচীন ঐতিহ্যময় ধাৰাক বুজাবলৈ Folklore শব্দটোৰ প্ৰথম ব্যৱহাৰ কৰিছিল। 'দি এথেনিয়াম পত্ৰিকাত জন থমচে এখন চিঠি লিখিছিল, য'ত এই সন্দৰ্ভত কোৱা হৈছিল এনেদৰে–

"Your pages have so often given evidence of the interest which you take in what we in England designate as popular antiquities or popular literature (Through by the bye it is more a lore than a literature and would be most aptly described by a good saxon compoud folklore, the lore of the people)– I claim the honour of introducing the epithet folklore" (Athenaeum, p, 862-863) [৯]

অৰ্থাৎ ইয়াৰ পূৰ্বতে ইংলেণ্ডত Popular Antiquities আৰু Popular literature এই পৰিভাষা দুটাৰহে প্ৰচলন আছিল। লোকসংস্কৃতি জাতীয় সমলক এই আখ্যা দুটাৰে সামৰি আলোচনা কৰি থকা হৈছিল। সেই সময়ত Popular Antiquity য়ে সংস্কৃতিৰ মূলতঃ চাৰিটা বিষয় অন্তৰ্ভূক্ত কৰিছিল। সেয়া হ'ল –

১/ Old Custom

২/ Old Usage

৩/ Superstition

৪/ Antique Relique [১০]

জন থমাচে Folklore ত এইকেইটা বিষয় অন্তৰ্ভূক্ত কৰাৰ ইংগিত প্ৰদান কৰিছিল–

১/ Manners

২/ Customs

৩/ Observances

৪/ Superstitions

৫/ Ballads

৬/ Proverbs [১১]

ইয়াৰ কিছু বছৰৰ পূৰ্বে জাৰ্মানীত ১৮১৩ চনত Volskunde শব্দটো Johan Feliex Van Knaff য়ে লোকসংস্কৃতি চৰ্চাৰ বিশেষ পৰিভাষা হিচাপে ব্যৱহাৰ কৰিছিল। [১২] এই পৰিভাষাটোৱে সামৰি লৈছিল Old Custom, Old Usage, Superstition, Antique Relique আদি বিষয়ক। অৱশ্যে Volk শব্দটো জাৰ্মানীত প্ৰথম John Gottfried Hender (১৭৪৪-১৮০৩) য়ে ব্যৱহাৰ কৰিছিল। [১৩] পৰৱৰ্তী কালত গ্ৰীম ভ্ৰাতৃদ্বয়ে (Jacob Grimm, Wilhelm Grimm) ১৮১২ চনত The Houshold Tales ৰ যোগেদি লোক-সংস্কৃতি চৰ্চাৰ এক নতুন দিগন্ত উন্মোচিত কৰে।

জন থমাচে আশা প্ৰকাশ কৰিছিল যে জাৰ্মানীৰ দৰে ইংলেণ্ডতো এই ধৰণৰ চৰ্চাৰ ব্যাপক আৰু গভীৰ অধ্যয়ন হওক। তেওঁ আশা কৰাৰ দৰেই পৰৱৰ্তী পৰ্যায়ত Folklore শব্দটোৱে অতি কম দিনৰ ভিতৰতে স্বীকৃতি আৰু অনুমোদন লাভ কৰাৰ লগতে ইংলেণ্ডত লোকসংস্কৃতি চৰ্চা বিস্তাৰিতভাৱে আগবাঢ়িবলৈ ধৰিলে। পৃথিৱীৰ বিভিন্ন দেশত এই শব্দটো গ্ৰহণ কৰা হ'ল আৰু কিছুমান দেশত সামান্য জাতীয়তাবাদী ভাৱধাৰাৰ সংযোজনেৰে লোকসংস্কৃতি চৰ্চাৰ সূত্ৰপাত হ'ল। ৰিচাৰ্ড এম ডৰচনে Folklore and Folklife গ্ৰন্থৰ যোগেদি লোকসংস্কৃতি চৰ্চাৰ এক নতুন গতিপথ নিৰ্ধাৰণ কৰিলে। এই গ্ৰন্থখনত ৰিচাৰ্ড এম ডৰচনে লোকসংস্কৃতি আৰু লোকজীৱনক প্ৰধানকৈ চাৰিটা দিশত আলোচনা কৰিলে –

১/ Oral Literature

২/ Social folk custom

৩/ Material culture

৪/ Folk Art

ডৰচনৰ এই গ্ৰন্থখনৰ শ্ৰেণীবিভাজনৰ আঁত ধৰি পৰৱৰ্তী পৰ্যায়ত লোকসংস্কৃতি চৰ্চাই বিভিন্ন দেশত প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে। ভাৰতবৰ্ষতো লোকসংস্কৃতি চৰ্চাৰ বিষয়টো অন্য দেশতকৈ অলপ সুকীয়া আছিল। ভাৰতবৰ্ষত পূৰ্বৰে পৰা লোকসংস্কৃতিৰ সমলসমূহৰ চৰ্চা যে হৈ আছিল তাৰ প্ৰমাণ পোৱা যায়, প্ৰাচীন কালৰে পৰা

ভাৰতত প্ৰস্তুত পঞ্চতন্ত্ৰ, কথাসৰিৎসাগৰ, বৃহৎ কথা, জাতক আদি বিখ্যাত গ্ৰন্থৰূপৰ সংকলনসমূহৰ মাজত। তথাপি প্ৰণালীবদ্ধভাৱে আৰু বিদ্যালয়তনিক ক্ষেত্ৰত দেশীয় পণ্ডিতসকল যেনে- ৰবীনন্দ্ৰনাথ ঠাকুৰ, ঝাৱেৰচান্দ মেঘানি আদিয়ে বিশেষ অৱদান আগবঢ়াইছিল। ভাৰতবৰ্ষৰ বিভিন্ন আঞ্চলিক ভাষাত Folklore শব্দৰ বিপৰীতে লোকসংস্কৃতি অভিধাটোক অধিক গ্ৰহণ কৰা দেখা যায়। সামগ্ৰিকভাৱে লোকসংস্কৃতি এই সংজ্ঞা আগবঢ়াব পাৰি যে- লোকসংস্কৃতি হৈছে সামূহিক জীৱন চৰ্যা আৰু মানস চৰ্যাৰ সামগ্ৰিক কৃতি। একোখন সমাজৰ সামূহিক জীৱনে যিবোৰ পৰম্পৰাক মানি চলে সেয়া তথাকথিত অত্যাধুনিক সাংস্কৃতিক প্ৰচেষ্টা আৰু আনুষ্ঠানিক প্ৰশিক্ষণৰ পৰা মুক্ত অথবা স্বাধীন হোৱাৰ প্ৰৱণতা অধিক। পৰম্পৰাগত বিশ্বাস-অবিশ্বাস, সামাজিক ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান আদিৰ মাজেৰে এই মৌলিকভাৱে পৃথক উপাদানবোৰ প্ৰচলিত হৈ থাকে। সময়ৰ বিৱৰ্তনত ইবোৰ কেতিয়াবা বিকশিত হয়, কেতিয়াবা লুপ্তও হয়। অতীত আৰু বৰ্তমানৰ সমলসমূহক সামৰি লৈ এই উপাদানবোৰে জীৱন গতিশীলতা প্ৰকাশ কৰাৰ লগতে সমষ্টিগত সমাজখনক সামূহিক স্বকীয় পৰিচয় প্ৰদান কৰে। এই উপাদানবোৰৰ সমষ্টিয়েই লোকসংস্কৃতি।

**লোকসংস্কৃতিৰ উপাদানসমূহৰ শ্ৰেণীবিভাজন**

ৰিচাৰ্ড এম ডৰচনে লোকসংস্কৃতিৰ যি মূল চাৰিটা শ্ৰেণীবিভাজন কৰি থৈ গৈছে, সেই শ্ৰেণীবিভানকে বৰ্তমানলৈকে লোকসংস্কৃতিৰ বিভাজনত আদৰ্শ হিচাপে গ্ৰহণ কৰা হৈছে। এই ভাগসমূহ হ'ল –

**মৌখিক সাহিত্য**

Rechard Dorson য়ে মৌখিক সাহিত্যক নাম দিছে Verbal Art or Expressive Literature অৰ্থাৎ বাচিক কলা বা মৌখিক কলা। এই বাচিক কলা হৈছে পৰম্পৰাগত উচ্ছাৰণৰ কথিত ৰূপ। লোকগীত, লোককথা, প্ৰবাদ প্ৰবচন, সাঁথৰ, মন্ত্ৰ আদি এই শ্ৰেণীত অন্তৰ্ভুক্ত। এই কাহিনী, গীতসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰ মুখ বাগৰি পুৰুষানুক্ৰমে চলি থাকে। ইয়াত ৰচকৰ পৰিচয় লুপ্ত হৈ পৰে। ঠাইভেদে, অঞ্চলভেদে মৌখিক সাহিত্যসমূহৰ ভিন্নতা আৰু বৈশিষ্ট্য বৈবিধ্য দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে অসমীয়া মৌখিক সাহিত্য যাক লোকসাহিত্য বুলি কোৱা হয়, তাত লোককথা বুলিলে সাধুকথা, কিংবদন্তিমূলক কাহিনী, আঞ্চলিক বীৰৰ বীৰত্বব্যঞ্জক কাহিনী সম্বলিত অনেক সাধুকথা পোৱা যায়। সেইদৰে ভাৰতৰ বিভিন্ন অঞ্চলত যেনেদৰে সাঁথৰ, প্ৰবচন, ডাকৰ বচন প্ৰচলিত আছে, পৃথিৱীৰ অন্য দেশত সেয়া তেনেদৰে প্ৰচলিত নহ'বও পাৰে।

ডৰচনে মৌখিক সাহিত্যক বুজাবলৈ expressive literature পৰিভাষাটোও ব্যৱহাৰ কৰিছিল। ইয়াক নবীনচন্দ্ৰ শৰ্মাই নাম দিছে 'অভিব্যঞ্জক-সাহিত্য'। তেখেতৰ 'লোকসংস্কৃতি' গ্ৰন্থত প্ৰকাশ কৰিছে যে মন্ত্ৰ, প্ৰাৰ্থনা, শোক প্ৰকাশ, কান্দোন, চিঞৰ-বাখৰ আদিকো বাচিক কলাৰ ভিতৰত ধৰিব পাৰি। লোকভাষা (folk speech) স্থানীয় আৰু আঞ্চলিক জতুৱা ঠাঁচেৰে প্ৰভাৱিত হোৱাৰ লগে লগে ই মান্যভাষাৰ পৰা বহুপৰিমাণে পৃথক হ'বলৈ আৰম্ভ কৰে। যি নহওক, সামগ্ৰিকভাৱে এই সকলোবোৰ লোকসাহিত্য বা বাচিক কলাৰ ভিতৰুৱা।

**ভৌতিক সংস্কৃতি (Material Culture)**

ডৰচনে লোকসংস্কৃতিৰ দ্বিতীয় গোটত Physical Folklife ক অন্তৰ্ভূক্ত কৰিছে যাক ভৌতিক সংস্কৃতি বা বস্তুগত সংস্কৃতি নাম দিব পাৰি। মৌখিক সাহিত্যত লোকসংস্কৃতি শ্ৰৱণীয় দিশৰ সৈতে মূলতঃ জড়িত, কিন্তু ভৌতিক সংস্কৃতিত ই লোকজীৱনৰ দৃশ্যমান দিশসমূহৰ সৈতে জড়িত। আশ্ৰয়ী লোকসমাজত পুৰুষ-মহিলাই কেনেদৰে ঘৰ সাজে, কাপোৰ তৈয়াৰ কৰে, খাদ্য প্ৰস্তুত কৰে, কৃষি কৰ্ম কৰে, মাছ ধৰে, কৃষি আৰু দৈনন্দিন জীৱনত প্ৰয়োজনীয় সঁজুলি নিৰ্মাণ কৰে, গৃহসজ্জা কৰে, আচ-বাব আৰু বাচন-বৰ্তন তৈয়াৰ আৰু ডিজাইন কৰি লয় ইত্যাদি সকলোবোৰ দিশ ভৌতিক সংস্কৃতিৰ অন্তৰ্গত ভৌতিক সংস্কৃতিক পঁচভাগত ভাগ কৰিব পাৰি–

ক) লোক কলা (Folk Art)

খ) লোক শিল্প (Folk Crafts)

গ) লোক স্থাপতি বিদ্যা (Folk Architecture)

ঘ) লোক আভৰণ (Folk Costume)

ঙ) লোক ৰন্ধন প্ৰণালী (Folk Cookery)

এই পাঁচোটা ভাগ  স্বয়ং সম্পূৰ্ণ লোকসংস্কৃতিক উপাদানেৰে পৰিপূৰ্ণ। পৃথিৱীৰ সকলো লোকসমাজতে লোকসংস্কৃতিৰ এই সমলসমূহ দেখা পোৱা যায়। উদাহৰণস্বৰূপে অসমীয়া লোকসংস্কৃতিৰ ভিতৰুৱা সাঁচিপাতত অংকিত হেঙুল হাইতালেৰে বোৰোৱা চিত্ৰকলা, পৰম্পৰাগত আৰ্হিৰে মুগা কাপোৰত অঁকা চিত্ৰ, সত্ৰ, নামঘৰ, গোঁসাইঘৰ আদিৰ কাঠৰ দুৱাৰ, কাঠৰ খুটা, পুথি থোৱা কাঠৰ ঠগি, কাঠৰ শৰাই ইত্যাদিত অঁকা চিত্ৰকলা, কুঁহিলাৰ পটৰ লোককলাৰ কথা ক'ব পাৰি। সেইদৰে হীৰা আৰু কুমাৰ সকলে তৈয়াৰ কৰা নিৰ্দিষ্ট শৈলীৰ মাটিৰ বাচন-বৰ্তন, পুতলা, শৰাই, কমাৰ-কঁহাৰসকলে তৈয়াৰ কৰা বৈশিষ্ট্যপূৰ্ণ দা-কটাৰী, কুঠাৰ, কাঁহৰ বাচন-বৰ্তন, বাঁহ, বেত, কাঠ কুঁহিলা আৰু হাতীদাঁতৰ

শিল্প আদি লোকশিল্পৰ অন্তৰ্গত। অসমীয়া মানুহৰ গৃহ নিৰ্মাণ পদ্ধতিৰো সুকীয়া বৈশিষ্ট্য আছে। ই লোকস্থপতিবিদ্যাৰ ভিতৰুৱা। বোৱা-কটাত অসমীয়া শিপিনীৰ স্বকীয় গৌৰৱ আছে। অসমীয়া পাট-মুগাৰ সুকীয়া চানেকিযুক্ত স্বৰূপ, বিহুৰ বিহুৱান, গোঁসাই ঘৰৰ গামোচা, চাদৰ-মেখেলা, ৰিহা,চোলা, চুৰীয়া, গুণা কটা চেলেং, ফুলাম গামোচা আদি নিজস্ব মহিমামণ্ডিত। লোকৰন্ধন প্ৰণালী বুলিলে অসমীয়া লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত খাদ্যভ্যাসৰ জুতিসমূহৰ কথাই ক'ব পাৰি। 'খাৰ খোৱা অসমীয়া' বুলি অসমীয়া মানুহৰ অভ্যাসৰ কথা সূচায়। কলদিল, পচলা, কোমোৰা, লাই-লফা, পালেংৰ জুতি, তিলপিঠা, ঘিলাপিঠালৈকে সকলোবোৰ এই পৰিসৰত অন্তৰ্ভূক্ত। এইদৰে পৃথিৱীৰ সকলো লোকসমাজত ভিন্ন ভিন্ন বৈশিষ্ট্যৰ ভৌতিক সংস্কৃতিৰ সমল পোৱা যায়।

**সামাজিক লোকপ্ৰথা বা লোকাচাৰ**

ডৰচনে উল্লেখ কৰিছে যে মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ সংযোগ সেঁতু হিচাপে ক্ৰিয়াশীল ৰূপত যি থাকে তাকে সামাজিক লোক প্ৰথা বা লোকাচাৰ (social folk custom) আখ্যা দিব পাৰি। ইয়াত ব্যক্তিগত কৌশল আৰু ক্ৰিয়া-কলাপতকৈ সমূহৰ পাৰস্পৰিক অংশগ্ৰহণৰে সামাজিক ক্ৰিয়াকলাপত অধিক গুৰুত্ব দিয়া হয়। মানৱৰ জীৱন বৃত্তৰ লগত জড়িত দিশ যেনে – জন্ম, শিক্ষা গ্ৰহণ, বিবাহ, মৃত্যুৰ লগত জড়িত লোকাচাৰ, কৃষিকেন্দ্ৰিক ৰীতি-নীতি ইত্যাদি সকলোবোৰ এই ভাগত ধৰা হয়। ৰাজহুৱাকৈ কৰা আনন্দ উপভোগ, বিনোদন, মনোৰঞ্জন, পৰিৱেশন আদিত সমূহীয়াভাৱে যেতিয়া অংশগ্ৰহণ কৰা হয় সেই সমূহীয়া কাৰ্যবোৰেই উৎসৱ-অনুষ্ঠানৰ নাম পায়। এনে উৎসৱ অনুষ্ঠানবোৰ ধমীয় আৰু ধৰ্মনিৰপেক্ষ উভয় পৰম্পৰাৰ ওপৰত ভিত্তি কৰি চলি থাকে।

সামাজিক লোকপ্ৰথা বা লোকাচাৰক চাৰিটা উপ-ভাগত ভাগ কৰিব পাৰি –

১) উৎসৱ-অনুষ্ঠান

২) অৱসৰ বিনোদন আৰু খেল-ধেমালি

৩) লোক ঔষধ

৪) লোকধৰ্ম

উৎসৱ-অনুষ্ঠানসমূহক ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ, কৃষিভিত্তিক আৰু ঋতুকালীন আদি বিভিন্ন উপভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। লগতে জীৱন চক্ৰৰ লগত জড়িত অনেক অনুষ্ঠান সমাজত প্ৰচলিত হৈ থাকে। খেলা-ধূলা, অৱসৰৰ সময়ৰ লোকজীৱনৰ বিনোদনতো বিভিন্ন গীত-পদ, ক্ৰিয়া-কলাপ পৰম্পৰাগতভাৱে চলি থাকে। আজিৰ বিজ্ঞান নিৰ্ভৰ সময়তো মানুহে গছ-বন, পাত-লতাৰ মাজত থকা ঔষধি শক্তিক

মানি আহিছে। সেয়ে লোকঔষধৰ গুৰুত্ব মানৱ সমাজত কোনো দিনে কমা নাই। অৱশ্যে যাদু-মন্ত্ৰ, ঐন্দ্ৰজালিক কৰ্ম-কাণ্ড কিছুমানকো লোকসমাজে প্ৰশ্ৰয় দি আহিছে। সেইদৰে বৃক্ষ পূজা, শিল্প পূজা আদি লোকধৰ্ম লোকসমাজত বহুযুগৰ পৰা প্ৰচলিত হৈ আহিছে।

**লোক পৰিৱেশ্য কলা (Folk Performing Art)**

ডৰচনে লোকসংস্কৃতিৰ চতুৰ্থ অংগত ৰাখিছে লোক পৰিৱেশ্য কলাক। ইয়াত অন্তৰ্ভূক্ত হৈছে পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট্যক। এই কলাক আনুষ্ঠানিক পৰিৱেশন কলা বুলিও বুজাব পাৰি। উদাহৰণস্বৰূপে সাধু এটা গোৱা বা গীত এটা গোৱা কাৰ্যক পৰিৱেশন কলা বুলিব পাৰি। কিন্তু সমূহীয়াকৈ অথবা এককভাৱে হ'লেও সম্পূৰ্ণ আনুষংগিক সাজ-পোচাক, লোকবাদ্যযন্ত্ৰ, লোকসংগীত, অভিনয়ৰ মাধ্যমেদি কলাৰ শৃংখলাবদ্ধ আনুষ্ঠানিক পৰিৱেশন হ'লে সি হ'ব লোক পৰিৱেশ্য কলা।

ডৰচনে উল্লেখ কৰিছে যে এই ভাগকেইটাতে লোকসংস্কৃতিৰ সৰ্বাংগীন দিশসমূহ অন্তৰ্ভূক্ত হোৱা নাই। ইয়াৰ পাছতো আৰু বহু কথা ৰৈ যায়, যাক কোনো বিভাগ হিচাপে সুকীয়াকৈ আলোচনা কৰিবলৈ সমস্যা হয়। সংকেত ভাষা (gestures), লোকভাষা আদিৰ নিজা আঞ্চলিক, স্থানীয় বৈশিষ্ট্য থাকে। তথাপি সামগ্ৰিকভাৱে ডৰচনে কৰি যোৱা উল্লিখিত চাৰিটা ভাগত লোকসংস্কৃতিৰ প্ৰায়বোৰ দিশ সামৰি লোৱা হৈছে। লোকসংস্কৃতিৰ সমলসমূহে সমাজ একোখনক সমৃদ্ধ কৰি ৰাখে, তাৰ ইতিবাচক দিশসমূহে লোকসমাজখনক আনৰ আগত শিৰ উন্নত কৰি ৰখাত সহায় কৰে আৰু সমাজৰ সদস্যসমূহৰ মাজত ঐক্য, সম্প্ৰীতি বজাই ৰাখে।

**লোকসংস্কৃতিৰ বৈশিষ্ট্য**

লোকসংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যসমূহ এনেধৰণৰ –

ক) কৃষিভিত্তিক লোকজীৱনৰ প্ৰতিবিম্ব প্ৰকাশ।

খ) সংহত বা গোষ্ঠীবদ্ধ সমাজ জীৱনৰ অংশীদাৰীত্ব।

গ) স্ৰষ্টাৰূপত সাধাৰণ ৰাইজ বা গোষ্ঠীবদ্ধ সমাজ।

ঘ) চহা মনৰ নিৰ্ভেজাল প্ৰকাশ।

ঙ) অলিখিত সাহিত্য মূলতঃ মুখ পৰম্পৰাৰে প্ৰচলিত।

ঙ) অনামী সমূহৰ সৃজন।

চ) স্মৃতি আৰু শ্ৰুতিনিৰ্ভৰতাক প্ৰাধান্য।

ছ) হৃদয়ৰ তাগিদাত সৃষ্ট স্বতঃস্ফূৰ্ত ৰচনা।

জ) সৰল আৰু অকৃত্ৰিম।

ঝ) ঐতিহ্যনির্ভৰশীল।

ঞ) পৰিৱৰ্তনশীল আৰু গতি নমনীয়।

লোকসংস্কৃতিৰ সমলসমূহ এটা প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ উত্তৰাধিকাৰসূত্ৰে প্ৰৱাহিত হৈ সমাজ একোখনক জীৱন্ত গতি দি থকাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থাকে। ই মানৱ সমাজৰ অতীতৰ সৈতে বৰ্তমানৰ সূতাডালৰ আঁত হেৰাই যাবলৈ নিদিয়ে। এক কথাত সমাজ একোখনৰ প্ৰাণস্বাচ্ছন্দ্যক লোকসংস্কৃতিয়ে ভালদৰে ধৰি ৰাখে।

**উপসংহাৰ**

লোকসংস্কৃতি অৰ্থাৎ Folklore ৰ বিস্তৃত পৰিসৰে সামৰি লোৱা বাচিক কলা বা মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা আৰু লোকাচাৰ, লোক পৰিৱেশ্য কলা আদি। এইবোৰৰ সমষ্টিয়েই হ'ল Folklife বা লোকজীৱন। লোকজীৱনে পৰম্পৰাগত সংস্কৃতি আৰু বাচিক কলাৰ সম্পূৰ্ণ চিত্ৰখনি ৰূপায়ণ কৰে। লোকজীৱনৰ দৈনন্দিন জীৱন বুলিলেই জীয়াই থকাৰ প্ৰয়োজনত বিভিন্ন কৰ্মত ব্যস্ত জীৱন। এই দৈনন্দিন কৰ্ম সম্পাদনে সাধাৰণ জনতাক জীৱন আৰু জগত সম্পৰ্কে বিভিন্ন ধৰণৰ অভিজ্ঞতা প্ৰদান কৰে। সৃষ্টিশীল লোকমনে জীৱনৰ ঘাত-প্ৰতিঘাতক গ্ৰহণ কৰি সেই অভিজ্ঞতাখিনিক অনুকূল পৰিৱেশত প্ৰকাশ কৰে। সেয়ে লোকজীৱনৰ লগত লোকসংস্কৃতি ওতঃপ্ৰোতভাৱে সংযোজিত হৈ পৰে। উদাহৰণস্বৰূপে অসমীয়া লোকসংস্কৃতি আৰু লোকজীৱনৰ কথা ক'ব পাৰি। লুইতপৰীয়া অসমৰ সাৰুৱা পলসুৱা মাটি, বিস্তীৰ্ণ মুকলি পথাৰ, লুইতৰ অসংখ্য উপনদৰ পাৰ, বিৰিখৰ ছাঁ, সেউজীয়া পাহাৰৰ শাৰীৰ মাজত কটোৱা অসমৰ লোকজীৱনশৈলী ঘাইকৈ প্ৰকৃতিকেন্দ্ৰিক। সেয়ে অসমৰ লোকসংস্কৃতিৰ সকলোবোৰ উপাদানৰ মাজত লোকমনৰ ভাৱ কল্পনাই মুক্ত হৈ পাখি মেলি ধৰে। নিত্য শ্ৰমো হৈ পৰে ছন্দায়িত গতিৰ তালযুক্ত। নদীত মাছ মাৰোতে, বৰশী বাওতে, ঢেঁকী দিওতে, ধান বানোতে, পথাৰত ভূঁই ৰুওতে, ধান দাওতে, হাল বাওতে, গছ কাটোতে, ভঁৰাললৈ লখিমী আনোতে, কুঁহিয়াৰ পেৰোতে, সূতা কাটোতে, চুমনিত মুগা ৰখোতে, হাঁহৰ পোৱালী জগাওতে আদি বিভিন্ন কামত ব্যস্ত থাকোতেও জীৱন কলাত্মক আৰু শৈল্পিক ৰূপত প্ৰকাশিত হয়। গতিকে লোকজীৱনৰ প্ৰতি খোজতে লোকসংস্কৃতিৰ সমলে সাৰ-পানী পাই জীপাল হ'বলৈ সুযোগ পায়। মানৱ সভ্যতাৰ বিকাশযাত্ৰাৰ জুইৰ পৰা যাদুলৈকে, ছবিৰ পৰা কথালৈকে, সুৰৰ পৰা গীতলৈকে, হৃদয়াবেগৰ পৰা যৌনতালৈকে, ধ্বনিৰ পৰা ভাষালৈকে, বিশ্বাসৰ পৰা ভীৰুতালৈকে, সংস্কাৰৰ পৰা গোড়ামীলৈকে মানৱ জীৱনকৃতিৰ সমস্তভাৰখন

লোকসংস্কৃতিয়ে বহন কৰি থাকে। ইয়াৰ গৱেষণালব্ধ অধ্যয়নে লোকসংস্কৃতিৰ সদৰ্থক বোধগম্যতাত অধিক সহায় কৰে।

**শেষ টোকা**

১. সুমন্ত চলিহা, আধুনিক অসমীয়া শব্দকোষ, পৃ. ৫০৬, দীনেশ চন্দ্ৰ গোস্বামী, শৰাইঘাট অভিধান, পৃ.৮৭০

২. Alan Dundes, Interpreting Folklore, p.7

৩. Alan Dundes, Essays in Folkloristics, p.7

৪. আশুতোষ ভট্টাচাৰ্য, বাংলাৰ লোকসাহিত্য, প্ৰথম খণ্ড, পৃ. ১

৫. নীৰাজনা মহন্ত বেজবৰা, লোকতত্ত্ব জিজ্ঞাসা, পৃ. ২৩

৬. Richard M. Dorson (ed.) Folklore in the Modern World, p. 12

৭. Alan Dundes, Essays in Folkloristics, p.4

৮. https://ich.unesco.org/doc/src/00075-EN.pdf

৯. শ্বেখ মকবুল ইসলাম, লোকসংস্কৃতিবিজ্ঞান তত্ত্ব, পদ্ধতি ও প্ৰয়োগ, পৃ. ৪৩

১০. উল্লিখিত গ্ৰন্থ, পৃ. ৩৮

১১. উল্লিখিত গ্ৰন্থ, পৃ. ৪৪

১২. মিলানকান্তি বিশ্বাস, প্ৰসংগ লোকসংস্কৃতি, পৃ. ১০

১৩. উল্লিখিত গ্ৰন্থ, পৃ. ১০

**গ্ৰন্থপঞ্জী**

ইসলাম, শ্বেখ মকবুল। লোকসংস্কৃতবিজ্ঞান তত্ত্ব, পদ্ধতি ও প্ৰয়োগ। বংগীয় সাহিত্য সংসদ। কলকতা : ২০১১। মুদ্ৰিত।

চট্টোপাধ্যায়, তুষার। লোকসংস্কৃতির তত্ত্বৰূপ ও স্বৰূপসন্ধান। এ মুখাৰ্জী এণ্ড কোং। কলকতা : প্ৰথম প্ৰকাশ, ১৯৮৫। মুদ্ৰিত।

দত্ত, বীৰেন্দ্ৰনাথ। লোকসংস্কৃতিৰ স্বৰূপ আৰু অধ্যয়ন। অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়। ডিব্ৰুগড় : ১৯৯৮। মুদ্ৰিত।

বেজবৰা, নীৰাজনা মহন্ত। লোকতত্ত্ব জিজ্ঞাসা। বনলতা। ডিব্ৰুগড় : ২০০৪। মুদ্ৰিত।

বিশ্বাস, মিলানকান্তি। প্ৰসংগ লোকসংস্কৃতি। বংগীয় সাহিত্য সংসদ। কলকতা : ২০১৪। মুদ্ৰিত।

ভট্টাচাৰ্য, আশুতোষ। সম্পা.। বাংলার লোকসাহিত্য। কলকতা বুক হাউচ। কলকতা : প্ৰথম প্ৰকাশ, ১৯৭২। মুদ্ৰিত।

শৰ্মা, নবীন চন্দ্ৰ। অসমীয়া লোক-সংস্কৃতিৰ আভাস। বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড। গুৱাহাটী : ২০০৫। মুদ্ৰিত।

Dorson, Richard M. Folklore and Folklife an Introduction. The University of Chicago Press Ltd. London : 1972. Print.

Dundes, Alan. Folklore Matters. The University of Tennessee Press. London : 1996. Print.

Dundes, Alan. Essays in Folkloristics. Folklore Institute. Meerut : 1978. Print.

Dundes, Alan. Interpreting Folklore. Indian University Press. Bloomington : 1980. Print.